**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 08-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

----------------------------

***Headlines***

১। ৪০ কোটি টকা ব্যয়সাপেক্ষে অসম মালা আঁচনিৰ অধীনত লখিমপুৰৰ ন-আলিৰ পৰা কলিতাগাঁও চাৰিআলিলৈ পথৰ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। গুৱাহাটীত আজিৰে পৰা দুদিনীয়াকৈ ৰাষ্ট্ৰীয় বস্ত্ৰ সন্মিলন।

৩। ৰাজ্য চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে কাইলৈ চতুৰ্থ বৰ্গৰ ৪ হাজাৰ ৩৭৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ।

আৰু

৪। শিলচৰত আজি প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, প্ৰয়াত ৰাজনীতিবিদ তথা বিজেপিৰ জ্যেষ্ঠ নেতা কবিন্দ্ৰ পুৰকায়স্থৰ শেষকৃত্য।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণ কৰাৰ লগতে ১৩২ কোটি টকা ব্যয় সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপনৰ কাৰ্যসূচীত অংশ লয়। মুখ্যমন্ত্ৰীয়ে ৪০ কোটি টকা ব্যয়সাপেক্ষে অসম মালা আঁচনিৰ অধীনত ন-আলিৰ পৰা কলিতাগাঁও চাৰিআলিলৈ পথৰ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে ৫২ কোটি টকা ব্যয়সাপেক্ষে চুকুলিভৰীয়াত নিৰ্মাণ কৰিবলগীয়া সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ নতুন ভৱন আৰু ১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া পয়-প্ৰণালী নিষ্কাশণ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লখিমপুৰ বিধানসভা সমষ্টিৰ ২৭ হাজাৰ ৮০৪ গৰাকী মহিলাক মুখ্যমন্ত্ৰীয়ে মহিলা উদ্যমিতা পুঁজিৰ চেক প্ৰদান কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৩০ কোটি টকা ব্যয়সাপেক্ষে জহিঙত নিৰ্মাণ কৰা নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন কৰিব।

০০০০০০০০

গুৱাহাটীত আজিৰে পৰা দুদিনীয়াকৈ ৰাষ্ট্ৰীয় বস্ত্ৰ সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনখনৰ বিষয়বস্তু হৈছে- **ভাৰতৰ বস্ত্ৰ ঃ বয়ন বিকাশ, ঐতিহ্য আৰু উদ্ভাৱন।** এই সন্মিলনত দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ বস্ত্ৰ মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰিব। এই সন্মিলনৰ লক্ষ্য হৈছে বস্ত্ৰখণ্ডত নতুন নীতি, বিনিয়োগ, বহনক্ষমতা, ৰপ্তানী, আন্তঃগাঁথনিৰ বিকাশ আৰু বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত প্ৰযুক্তিগত উন্নয়নৰ দিশসমূহৰ সন্দৰ্ভত আলোচনা কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰা। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে ২০৩০ চনৰ ভিতৰত ভাৰতে বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত গোলকীয়ভাৱে সুকীয়া পৰিচয় গঢ়ি তোলাৰ উদ্দেশ্য আগত ৰাখি কাম কৰিবলৈ বিচাৰিছে। সন্মিলনৰ উদ্বোধনী অধিৱেশনত কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং, অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ লগতে অন্যান্য বিশিষ্টসকলে অংশগ্ৰহণ কৰিব। ইয়াৰ সৈতে সংগতি ৰাখি দেশৰ বস্ত্ৰ শক্তি,

উদ্ভাৱন আৰু সমৃদ্ধ ঐতিহ্যক চিহ্নিত কৰা এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। এই সন্মিলনে জিলাসমূহত বস্ত্ৰৰ মূল্য শৃংখল শক্তিশালী কৰাৰ লক্ষ্যৰে সৰ্বশ্ৰেষ্ঠ অনুশীলন, প্ৰত্যাহ্বান আৰু নীতিগত পৰামৰ্শসমূহৰ আদান-প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

oooooooo

াজ্য চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে অচিৰেই মুঠ ১১ হাজাৰ ১৩ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। এই অনুসৰি কাইলৈ এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীক গুৱাহাটী খানাপাৰাৰ নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে জনোৱা অনুসৰি পৰহিলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্যৰ প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে ১২ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ২৯২ গৰাকী চাহ জনগোষ্ঠী প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই নিযুক্তি সম্পন্ন হ'লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৪৫ হাজাৰ ৬৬৪ৰ পৰা ১ লাখ ৫৬ হাজাৰ ৬৭৭লৈ বৃদ্ধি পাব।

oooooooo

————চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী ফৌথাৰত কাইলৈৰ পৰা তিনিদিনীয়াকৈ হ'বলগীয়া বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় অধিৱেশনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ পুৱা ৯ বজাত ডং মনেশ্বৰ ব্ৰহ্ম সোঁৱৰণী মুখ্য প্ৰৱেশদ্বাৰ বিটিচিৰ কাৰ্যবাহী সদস্য তথা অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ধীৰাজ বৰগয়াৰীয়ে মুকলি কৰিব। ইয়াৰ পাছতে পদ্মলোচন বড়ো সোঁৱৰণী মুখ্য তোৰণ মুকলি কৰা হ'ব। ইয়াৰ পাছতে প্ৰতিনিধি শিবিৰ আৰু স্বেচ্ছাসেৱক শিবিৰসমূহ মুকলি কৰা হ'ব। দিনৰ চাৰে ১১ বজাত 'সপোনৰ পৰা গন্তব্য স্থানলৈ, প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰ কৌশল' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত কবি সন্মিলন আৰু চাৰে ৪ বজাত 'বড়োসকলৰ সমসাময়িক আৰ্থ-সামাজিক জীৱন অন্বেষণ' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাৰ পৰা প্ৰথম প্ৰতিনিধি সভা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। পৰহিলৈ স্মৃতিগ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হ'ব। ১১ জানুৱাৰীৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা। বড়ো সাহিত্য সভাৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ চিৰাং জিলাৰ সংবাদদাতা কুঞ্জ মোহন ৰায় –

বাইট

oooooooo

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, প্ৰয়াত ৰাজনীতিবিদ তথা বিজেপিৰ এগৰাকী জ্যেষ্ঠ নেতা কবিন্দ্ৰ পুৰকায়স্থৰ শেষকৃত্য আজি শিলচৰৰ শ্মশানঘাটত সম্পন্ন হ'ব। শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা তেওঁৰ নশ্বৰ দেহ কাছাৰ জিলা বিজেপিৰ কাৰ্যালয়লৈ নিয়া হৈছে। ইয়াৰ পাছত তেওঁৰ নশ্বৰ দেহ জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰলৈ লৈ যোৱা হয়। সম্প্ৰতি তেওঁৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হৈছে। কিছু সময়ৰ পাছতে সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ কালি শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৯৫ বছৰ বয়সত দেহাৱসান ঘটে।

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ মৃত্যুত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাত পুৰকায়স্থই প্ৰাক্তন মন্ত্ৰী আৰু লোকসভাৰ সদস্য হিচাপে নিষ্ঠাৰে আগবঢ়োৱা সেৱাৰ কথা উল্লেখ কৰাৰ লগতে অসমৰ উন্নয়নৰ ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰচেষ্টাৰ কথা স্মৰণ কৰে। এটা শোকবাৰ্তাত শ্ৰী মোদীয়ে সমাজ সেৱাৰ প্ৰতি পুৰকায়স্থৰ দায়বদ্ধতা আৰু অসমৰ প্ৰগতিৰ ক্ষেত্ৰত অৱদান সদায় স্মৰণীয় হৈ থাকিব বুলি উল্লেখ কৰে।

ভাৰতীয় জনতা পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাপকগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে আজি সকলো দলীয় কাৰ্যসূচী বাতিল কৰাৰ লগতে দলটোৰ সকলো কাৰ্যালয়ত দলীয় পতাকা অৰ্ধনমিত কৰি ৰখা হৈছে।

oooooo

চলিত বৰ্ষৰ ১ এপ্ৰিলৰ পৰা দেশজুৰি লোকপিয়ল আৰম্ভ হ'ব। কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যালয়ে এই সন্দৰ্ভত কালি অধিসূচনা জাৰি কৰিছে। দুটা পৰ্যায়ত হ'বলগীয়া লোকপিয়লৰ প্ৰথম পৰ্যায় ১ এপ্ৰিলৰ পৰা ৩০ ছেপ্তেম্বৰলৈ চলিব। ভাৰতৰ ৰেজিষ্টাৰ জেনেৰেলৰ কাৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি প্ৰথম পৰ্যায়ত ঘৰৰ তালিকাভুক্ত আৰু গৃহ গণনা কৰা হ'ব। ২০২৭ বৰ্ষৰ পহিলাতে লোক গণনা আৰম্ভ হ'ব। এইবাৰ লোকপিয়লত পোনপ্ৰথমবাৰৰ বাবে স্বগণনাৰ ব্যৱস্থা কৰা হৈছে। এই অনুসৰি নিৰ্ধাৰিত সময়ছোৱাৰ ভিতৰত ঘৰে ঘৰে গৈ তালিকাভুক্ত কৰাৰ পূৰ্বে ১৫ দিনৰ বাবে নাগৰিকে ডিজিটেল মাধ্যমত নিজাববীয়াকৈ তথ্যপাতি দাখিল কৰিব পাৰিব।

উল্লেখযোগ্য যে এইবাৰ লোকপিয়ল ৰাজনৈতিক আৰু প্ৰশাসনিকভাৱেও তাৎপৰ্যপূৰ্ণ হ'ব। ১৯৩১ চনৰ পাছৰ পৰা অনুসূচীত জাতি আৰু জনজাতিৰ বাহিৰে এইবাৰ প্ৰথমবাৰলৈ দেশব্যাপী বৰ্ণ গণনা কৰা হ'ব। উল্লেখযোগ্য যে এই লোকপিয়ল হ'ব দেশৰ প্ৰথমটো ডিজিটেল লোকগণনা, য'ত গণনাকাৰীয়ে মোবাইল এপ ব্যৱহাৰ কৰিব। এই লোকপিয়লৰ বাবে ইতিমধ্যে ডিচেম্বৰত কেন্দ্ৰীয় মন্ত্ৰীসভাই ১১ হাজাৰ ৭১৮ কোটি টকাৰ বাজেটত অনুমোদন জনাইছে।

oooooooo

প্ৰৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ অধীনত, স্বাস্থ্য সেৱা আৰু পৰিয়াল কল্যাণ বিভাগৰ উদ্যোগত ধুবুৰী জিলাত আজি প্ৰাপ্তবয়স্কসকলৰ বাবে বিনামূলীয়াকৈ জাপানিজ এনকেফেলাইটিছৰ প্ৰতিষেধক প্ৰদান কাৰ্যসূচী আৰম্ভ হৈছে। ধুবুৰী জিলাৰ মুখ্য স্বাস্থ্য বিষয়াই জনোৱা মতে আজিৰেপৰা ২১ জানুৱাৰীলৈ এই অভিযান চলিব। ১৫ বছৰ উৰ্ধৰ সকলো নাগৰিকক বিনামূলীয়াকৈ প্ৰতিষেধক দিয়া হ'ব। ধুবুৰীত জিলাত মুঠ ২৭৩টা দলে ৮ লাখ ৭৯ হাজাৰ ৭৫২ জন লোকক প্ৰতিষেধক প্ৰদানৰ কৰাৰ লক্ষ্য লৈছে।

শ্ৰীভূমি জিলাতো আজি ১৫ বছৰৰ পৰা ৬৫ বছৰৰ লোকসকলৰ বাবে জাপানিজ এনকেফেলাইটিছৰ বিনামূলীয়া প্ৰতিষেধক প্ৰদান কাৰ্যসূচী আৰম্ভ হৈছে।

ooooooo

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত দৰং জিলা কৃষি বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনি সন্দৰ্ভত জিলাখনৰ কৃষি বিষয়া দেৱ কুমাৰ শৰ্মাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ দৰং জিলাৰ সংবাদদাতা ময়ুখ গোস্বামীয়ে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

ooooooo

ধেমাজি জিলাত স্বাৱলম্বী ৰূপ দিয়াৰ উদ্দেশ্যে জিলা প্ৰশাসন, ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰ আৰু আত্মনিৰ্ভৰ ধেমাজি সমিতিৰ উদ্যোগত কাইলৈৰ পৰা ১২ জানুৱাৰীলৈ ধেমাজিৰ কছাৰী মৈদানত আত্মনিৰ্ভৰ ধেমাজি শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আত্মনিৰ্ভৰ ধেমাজি জিলাখনৰ কৃষি, পশুপালন, মৎস্যপালন, ৰেচমশিল্প আদিৰ সৈতে জড়িত কৃষক, মহিলা আৰু উদ্যেগী যুৱক-যুৱতীৰ বিশেষ মঞ্চ। এই কাৰ্যসূচীত কৃষক সমাৰোহ, কৃষি বাণিজ্য মেলা, আত্ম সহায়ক গোটৰ মেলা, বিভিন্ন বিষয়ৰ আলোচনা সত্ৰ আৰু প্ৰযুক্তি প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ফটো প্ৰদৰ্শনি, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হৈছে।

০০০০০০০

**সমাপ্ত**